তোমালোকৰ পূৰ্বে অতিবাহিত হোৱা লোকসকলৰ মাজত এজন আঘাতপ্ৰাপ্ত ব্যক্তি আছিল। ফলত সি সেইটোক সহ্য কৰিব পৰা নাছিল। সেয়ে সি এটা ছুৰী লৈ নিজৰ হাত কাটি পেলাইছিল। তেজ বন্ধ নোহোৱাৰ ফলত সি মৃত্যুবৰণ কৰাত মহান আল্লাহে কৈছেঃ মোৰ বান্দাই নিজৰ ওপৰত অন্যায় কৰি মোৰ ফালে আহিবলৈ খৰখেদা কৰিছে, সেয়ে মই তাৰ ওপৰত জান্নাত হাৰাম কৰি দিছোঁ।

হাছানৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ জুনদাব ইবনে আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৱে আমাক এই মছজিদতে হাদীছ বৰ্ণনা কৰিছে। যেতিয়াৰ পৰা আমি সেই হাদীছটো শুনিছোঁ, তেতিয়াৰ
পৰা এতিয়ালৈকে সেইটো পাহৰা নাই, আৰু আমাৰ এইটোও ধাৰণা নহয় যে, জুনদাবে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি মিছা আৰোপ কৰিছে। তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ পূৰ্বে অতিবাহিত হোৱা লোকসকলৰ মাজত এজন আঘাতপ্ৰাপ্ত ব্যক্তি আছিল। ফলত সি সেইটোক সহ্য কৰিব পৰা নাছিল। সেয়ে সি
এটা ছুৰী লৈ নিজৰ হাত কাটি পেলাইছিল। তেজ বন্ধ নোহোৱাৰ ফলত সি মৃত্যুবৰণ কৰাত মহান আল্লাহে কৈছেঃ মোৰ বান্দাই নিজৰ ওপৰত অন্যায় কৰি মোৰ ফালে আহিবলৈ খৰখেদা কৰিছে,
সেয়ে মই তাৰ ওপৰত জান্নাত হাৰাম কৰি দিছোঁ।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, আমাৰ পূৰ্বে যিসকল লোক অতিবাহিত হৈছে, সিহঁতৰ মাজৰ এজন ব্যক্তি প্ৰচণ্ড আঘাতপ্ৰাপ্ত হোৱাত সি নিজৰ কষ্টত ধৈৰ্য্য ধাৰণ কৰিব পৰা নাছিল আৰু অসহ্য হৈ সোনকালে মৃত্যু হোৱাৰ বাবে এটা ছুৰীৰে নিজৰে হাত কাটি পেলাইছিল। তেজ বন্ধ নোহোৱাৰ ফলত তাৰ মৃত্যু ঘটিছিল। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত আল্লাহে কৈছেঃ মোৰ বান্দাই নিজৰ ওপৰত অন্যায় কৰি মোৰ ওচৰলৈ অহাৰ বাবে খৰখেদা কৰিছে। সেয়ে মই তাৰ ওপৰত জান্নাত হাৰাম কৰি দিছোঁ।

http://sunnah.global/hadeeth/as/show/2981